জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৬০/২০২২

# বান-ভূমিস্খলনত ক্ষতিগ্ৰস্ত ডিমা হাছাওলৈ ৰাজ্য চৰকাৰৰ ৫০ কোটিৰ পেকেজ

## গৃহ নিৰ্মাণৰ বাবে ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়াললৈ ২ লাখ টকাৰ সাহায্য

**দিছপুৰ, ৩০ মে'** ঃ ৰাজ্য চৰকাৰে বান-ভূমিস্খলনত বিধ্বস্ত ডিমা হাছাওত বিভিন্ন খণ্ডৰ পুনৰ নিৰ্মাণৰ বাবে জৰুৰীভাৱে ৫০ কোটি টকাৰ পেকেজ আগবঢ়াইছে। এই পেকেজৰ অধীনত বান-ভূমিস্খলনত ক্ষতিগ্ৰস্ত গুৰুত্বপূৰ্ণ পথসমূহৰ তৎকালীন নিৰ্মাণৰ বাবে ৩০ কোটি টকা আগবঢ়োৱা হৈছে। তদুপৰি বান-ভূমিস্খলনত ক্ষতিগ্ৰস্ত ৫৯০ টা পৰিয়ালৰ প্ৰত্যেকলৈ গৃহ নিৰ্মাণৰ বাবে ২ লাখ টকাকৈ আগবঢ়োৱাৰ সিদ্ধান্ত লোৱা হৈছে। এই শিতানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহলৈ মুঠ ১১.৮০ কোটি টকা আবণ্টনৰ ব্যৱস্থা কৰা হৈছে। এই পেকেজৰ ২৩ কোটি টকা এছডিআৰএফ শিতানৰ পৰা আগবঢ়োৱাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ পুঁজিৰ পৰা ২৭ কোটি টকা প্ৰদান কৰা হ'ব। আজি বিয়লি মুখ্যমন্ত্ৰীৰ সভাকক্ষত বান-ভূমিস্খলনত বিধ্বস্ত ডিমা হাছাওৰ পুনৰ নিৰ্মাণ বিষয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এক বৈঠকত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই পুনৰ নিৰ্মাণ কাৰ্যৰ জৰুৰী ৰূপায়ণতো বিশেষ গুৰুত্ব আৰোপ কৰে।

**ৰীঃগঃ**
**৩০/০৫/২০২২**